জনসংযোগ, অসম
প্ৰেছ বাৰ্তা নং ঃ ২০৬

# শ্ৰম আৰু কল্যাণ বিভাগৰ বিভাগীয় বিষয়াসকলৰ সৈতে
# শ্ৰম মন্ত্ৰীৰ পৰ্যালোচনা সভা

**দিছপুৰ, ৯ আগষ্ট ঃ** শ্ৰম আৰু কল্যাণ বিভাগৰ জিলা পৰ্যায়ৰ বিষয়াসকলৰ উপস্থিতিত বিভাগীয় বিভিন্ন আঁচনিৰ অগ্ৰগতি আৰু ৰূপায়ণ সম্পৰ্কত এখন পৰ্যালোচনা সভা আজি অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। শ্ৰম আৰু কল্যাণ দপ্তৰৰ মন্ত্ৰী সঞ্জয় কিষাণৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত প্ৰতিখন জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন বিভাগীয় আঁচনিসমূহৰ খৰতকীয়া কাৰ্যকৰীকৰণৰ লগতে বিভিন্ন অভাৱ অভিযোগসমূহৰ ওপৰতো বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰোপৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ প্ৰতিখন জিলাত ‘আজাদী কে অমৃত মহোৎসৱ’ৰ লগত সংগতি ৰাখি উদ্‌যাপন কৰিবলৈ লোৱা ‘হৰ ঘৰ তিৰংগা’ কাৰ্যসূচীক সাফল্যমণ্ডিত কৰিবলৈ সকলোকে আহ্বান জনায়। পৰ্যালোচনা সভাত শ্ৰম আৰু কল্যাণ বিভাগৰ প্ৰধান সচিব, সচিব প্ৰমুখ্যে উচ্চস্তৰৰ বিষয়াসকলো উপস্থিত থাকে।

মৌ.ভ./প্ৰ.কু.দ/০৯-০৮-২০২২